# কৰিতা আবৃত্তি প্ৰতিযোগিতাৰ বাবে নিৰ্বাচিত কৰিতা

অসমীয়া

## কুল খুৰাৰ চোতাল

কবি- হেমাংগ বিশ্বাস

জোনাক কুঁৱলী ঘেৰা
বেলতলা পথাৰৰ ৰাতিৰ ধাননি, পাৰ হৈ
লাহে লাহে গৈ পালো নিকা ফৰকাল
কুল খুৰাৰ চোতাল।
এই চোতালত
কৃষি বিপ্লৱৰ মন্ত্ৰণা;
খুৰা তাৰেই সভাপতি।
এন্ধাৰ জুপুৰীত
লেমৰ ঢিমিক ঢামাক পোহৰত
সুধিলোঁ-খুৰা এতিয়া কেনে পাইছা?
এটি খীণ আঙুলিৰে ডিঙিত চেপা দি
উলিয়াইছিল মাথোঁ
এষাৰ অস্পষ্ট মাত ঃ
বৰ কষ্ট কমৰেড।
যুগে যুগে শোষিতৰ কষ্ট পান কৰি
নীলকণ্ঠ খুৰা,
যুগে যুগে বসুমতীৰ গৰ্ভ বিদাৰি
লখিমী উলিয়াই
খুৰা হ'ল বসুমতাৰী;
নাঙলৰ সীৰলুত মানিকীমধুৰী কাব্য
যুগে যুগে ৰচি
মহাকবি খুৰা।
বাৰে বাৰে শোষকৰ পাল খেদি
বীৰ বসুমতাৰী ৰণক্লান্ত আজি।
কুলখুৰা নাই।
বাতৰি কাকতত খবৰ নোলাল
আজিৰ বাতৰিত শিৰোনামা নাপায় খুৰাই।
কুলখুৰা, সপ্তাহৰ মানুহ যে নহয়,
নহয় বছৰৰ,
কুলখুৰা শত-শতিকাৰ,
কমৰেড বসুমতাৰী
বাতৰি নহয়
ইতিহাস।